# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-04-2024

**Time :** 0900 Hrs

***<u>Assamese Morning Bulletin</u>***

**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ২০২৬ বৰ্ষৰ ব'হাগ বিহুত যোৰহাট-মাজুলী সংযোগী দলং মুকলি কৰা হ'ব বুলি ঘোষণা।

২। লোকসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থী আৰু পৰ্যৱেক্ষকৰ উপস্থিতিত আজি ৰাজ্যত ই ভি এম বিতৰণ।

৩। আজিৰে পৰা ৯২৩ বিধ জীৱনদায়িনী ঔষধৰ দাম বৃদ্ধি।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধুমুহা, শিলাবৃষ্টিত বিস্তৰ ক্ষতি। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ, ৰাজস্থান ৰয়েলছৰ মুখামুখি।

০০০০০০০

ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানে গতি লাভ কৰিছে। শাসনাধিস্থিত বিজেপি মিত্ৰজোঁট, কংগ্ৰেছকে ধৰি বিৰোধী আৰু অন্যান্য প্ৰাৰ্থীসকলে ৰাজ্যখনৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজিৰে পৰা ১৭ এপ্ৰিললৈ ৰাজ্যখনৰ বিভিন্ন স্থানত প্ৰচাৰ কাৰ্যসূচীত অংশ লোৱাৰ লগতে ২ আৰু ৪ এপ্ৰিলত দ্বিতীয় পৰ্যায়ৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন দাখিল কাৰ্যসূচীত অংশ ল'ব। মুখ্যমন্ত্ৰীয়ে আজি দলীয় প্ৰাৰ্থীৰ হৈ মাজুলীত প্ৰচাৰ অভিযানত অংশ লোৱাৰ লগতে কাইলৈ ডিফুত বিজেপি প্ৰাৰ্থীৰ মনোনয়ন দাখিল কাৰ্যসূচীত অংশ লোৱাৰ উপৰি ২ এপ্ৰিলৰ ৰাজহুৱা সভাত ভাষণ দিব।

ইফালে বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ কেন্দ্ৰীয় নেতৃত্ব তথা তাৰকা প্ৰচাৰকে শীঘ্ৰেই ৰাজ্যখনত নিজৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ হৈ দলৰ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মন্ত্ৰী স্মৃতি ইৰাণী, দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, মন্ত্ৰী অৰ্জুন মুণ্ডাকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই এপ্ৰিলৰ প্ৰথম সপ্তাহতে ৰাজ্যখনত প্ৰচাৰ চলোৱাৰ কথা। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ৬ এপ্ৰিলত লখিমপুৰ আৰু হোজাইৰ প্ৰচাৰ কাৰ্যসূচীত অংশ ল'ব। কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কাইলৈ ৰাজ্যত প্ৰচাৰ চলোৱাৰ কথা। তদুপৰি দলৰ নেতা ৰাহুল গান্ধীকে ধৰি কেইবাগৰাকীও শীৰ্ষ নেতাই প্ৰচাৰ অভিযানত অংশ ল'ব। একেদৰে আম আদমী পাৰ্টী, তৃণমূল কংগ্ৰেছকে ধৰি অন্যান্য দলসমূহেও পৰৱৰ্তী সময়ত প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিব।

আনহাতে AIUDF দলৰ সভাপতি তথা ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমলে আজি কৰিমগঞ্জত উপস্থিত হৈ বিভিন্ন দলীয় সভাত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ কৰিমগঞ্জ লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থীগৰাকীৰ মনোনয়ন দাখিলৰ সময়ত উপস্থিত থাকিব।

০০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে নিৰ্ধাৰণ কৰা অনুসৰি আজি ই ভি এমসমূহ বিতৰণ পূৰ্বে প্ৰাৰ্থী আৰু পৰ্যৱেক্ষকৰ উপস্থিতিত পৰীক্ষা কৰা হ'ব। এই প্ৰক্ৰিয়াৰ পিছতে প্ৰথম পৰ্যায়ৰ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ই ভি এম, ভি ভি পেট আদি সামগ্ৰীসমূহ বিতৰণ কৰা হ'ব।

০০০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়ছোৱাত নিৰ্বাচনী আচৰণ বিধি ভংগ কৰা যিকোনো বিষয় আয়োগৰ দৃষ্টিগোচৰ কৰোৱাৰ উদ্দেশ্যে নাগৰিকসকলৰ বাবে এটা অনলাইন এপ্লিকেশ্বন মুকলি কৰিছে। চি ভিজিল নামৰ এই এপ্লিকেশ্বনটোৰ জৰিয়তে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত দেশৰ নাগৰিকসকলে সক্ৰিয় আৰু দায়িত্বশীল ভূমিকা পালন কৰিব পাৰিব। এই সৃষ্টিশীল এপ্লিকেশ্বনটোৰ জৰিয়তে নাগৰিকসকলে নিৰ্বাচনী আচৰণ বিধি ভংগ কৰিব পৰা যিকোনো বিষয় দৃষ্টিগোচৰ হোৱা মাত্ৰেই আয়োগক অৱগত কৰিব পাৰিব। এনেধৰণৰ বিষয় এটা চি ভিজিলৰ জৰিয়তে আয়োগৰ দৃষ্টিগোচৰ হোৱাৰ লগে লগে বিষয়টো অনুসন্ধানৰ বাবে ফ্লায়িং স্কোৱাডলৈ আগবঢ়াই দিয়া হ'ব। নাগৰিকসকলে এতিয়া আৰু নিৰ্বাচনী আচৰণ বিধি ভংগৰ অভিযোগ লৈ সংশ্লিষ্ট সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াৰ ওচৰলৈ যোৱাৰ প্ৰয়োজন নহ'ব।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ২০২৬ বৰ্ষৰ ব'হাগ বিহুত যোহৰাট-মাজুলী সংযোগী দলং মুকলি কৰা হ'ব বুলি ঘোষণা কৰিছে। সমাগত লোকসভা নিৰ্বাচনৰ বাবে শাসকীয় দলৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযান চলাবলৈ মুখ্যমন্ত্ৰীয়ে কালি মাজুলীত উপস্থিত হৈ এই কথা প্ৰকাশ কৰে। কালি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ কয় যে, চেলেক-ধূণাগুৰি দলঙৰ চেলেক দলংখন চলিত বছৰৰ ডিচেম্বৰ মাহত সম্পূৰ্ণ হৈ উঠিব। আনহাতে দলং সংযোগী পথসমূহ ২০২৫ বৰ্ষৰ মাৰ্চ মাহত সম্পূৰ্ণ হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। ইফালে অফলামুখ নিমাতীত দুটা জাহাজ বন্দৰৰ কাম আৰম্ভ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে দলং হৈ যোৱাৰ পিছতো পৰ্যটকসকলে ব্ৰহ্মপুত্ৰৰ বুকুত জাহাজেৰে যাতায়াত কৰিব পাৰিব। মাজুলীৰ ভূমি সুৰক্ষাৰ বাবে হেৰিটেজ ব্লক এণ্ড ব্লেট গঠন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে।

আনহাতে তিৱা স্বায়ত্বপৰিষদৰ উদ্যোগত আৰু তিৱা জাতীয় সংগঠনৰ সহযোগত কালি অন্তিম দিনৰ মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ কয় যে, তিৱা জনগোষ্ঠীয়ে নিজেই নিজৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি ৰক্ষা কৰিব লাগিব। এই সাংস্কৃতিক মহোৎসৱৰ জৰিয়তে তিৱাসকলে নিজৰ শক্তি সামৰ্থ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব। কিয়নো তিৱাসকল সাংস্কৃতিকভাৱে অতি চহকী জনগোষ্ঠী। তিৱাসকলৰ সাজপাৰ, কৃষ্টি-সংস্কৃতি বৰ্ণাঢ্য। তিৱাসকলৰ সামাজিক ৰীতি-নীতি, জাতীয় চেতনাই অসমীয়া সমাজক সমৃদ্ধিশালী কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, গোভা জোনবিল মেলাই অসমীয়া কৃষ্টিক শক্তিশালী কৰিছে। অহা বছৰৰ পৰা ৰাজ্য চৰকাৰে তিৱা সাংস্কৃতিক মহোৎসৱলৈ অৰ্থ সাহায্য আগবঢ়াব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

০০০০০০০

নেচনেচ ফাৰ্মাচিউটিকেল প্ৰাইচিং অথৰিটিয়ে আজিৰে পৰা ৯২৩ বিধ জীৱনদায়িনী ঔষধৰ দাম বৃদ্ধি কৰিছে। সেই অনুসৰি দাম বৃদ্ধি পাবলগীয়া ঔষধসমূহ হৈছে পেইনকিলাৰ, এণ্টি ভাইৰেল, এণ্টি বায়'টিক, এণ্টি মেলেৰিয়া আৰু দ্বিতীয় স্তৰৰ বহুমূত্ৰ ৰোগৰ ঔষধ আদি। তদুপৰি কৰ্কট ৰোগৰ ঔষধৰো দাম বৃদ্ধি পাব।০০০০

০০০০০০০

ৰাজ্যৰ নতুন মুখ্য সচিব হিচাপে ড০ ৰবি কোটাই কালি আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। জনতা ভৱনৰ লোকসেৱা ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিদায়ী মুখ্যসচিব পৱন কুমাৰ বৰঠাকুৰৰ পৰা ড০ কোটাই দায়িত্বভাৰ গ্ৰহণ কৰে। দায়িত্বভাৰ গ্ৰহণ কৰি ড০ কোটাই ৰাজ্যৰ মুখ্য সচিব হিচাপে প্ৰতিদিনে ২৪ ঘণ্টাই কাম কৰি যাব বুলি কয়। অৱশ্যে মুখ্য সচিবৰ পদত অধিষ্ঠিত হোৱাৰ পিছতো তেওঁৰ হাতত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ দায়িত্ব থাকিব। ড০ কোটাৰ কাৰ্যকাল ২০২৬ চনৰ ৩০ এপ্ৰিলত অন্ত পৰিব। ইপিনে,

তেওঁতকৈ জ্যেষ্ঠ কেডাৰ বিষয়া ৰবিশংকৰ প্ৰসাদ, ছৈয়দ্দিন আববাছী আৰু আশিস কুমাৰ ভূটানীক বিশেষ মুখ্য সচিবৰ দায়িত্ব অৰ্পণ কৰা হৈছে।০

০০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি বিয়লিৰ ভাগত অহা এজাক ধুমুহা শিলাবৃষ্টিয়ে বিভিন্ন অঞ্চলত বিস্তৰ ক্ষতি কৰিছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ বিভিন্ন স্থানত হোৱা প্ৰচণ্ড ধুমুহা আৰু শিল বৰষুণৰ ফলত উজান বাঁহবাৰী, আওহাটা, ৰাজাবিল অঞ্চল, জালাহ শিমলাকে ধৰি কেবাটাও স্থানত বিস্তৰ ক্ষতি হৈছে। এই অঞ্চলসমূহৰ কেইবাটাও বাসগৃহৰ টিনপাত ফুটি যোৱাৰ লগতে ভালেসংখ্যক পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ভাগি পৰা বুলিও জানিব পৰা গৈছে। কোনো কোনো ঠাইত গছ গছনি উভালি পৰাৰ ফলত বিদ্যুৎ সেৱা আৰু পথ যোগাযোগো ব্যাহত হৈছে। তামুলপুৰ জিলাতো ধুমুহা শিলাবৃষ্টিৰ ফলত কেইবাবিঘা কৃষি ভূমিৰ বিস্তৰ ক্ষতি হৈছে। বিশেষকৈ শিলাবৃষ্টিৰ ফলত কৃষি প্ৰধান জিলাখনৰ গান্ধীবাৰি, লতিবাৰী, কচুকাটা, নাওকাটা, ডোংপাৰ, ফালাকুছি, অময়াপুৰ আদি অঞ্চলৰ কেইবাবিঘা পাচলি খেতি বিনষ্ট হয়। আনহাতে বৰপেটা জিলাৰো বহু অঞ্চলত শিল-বৰষুণৰ ৰাইজৰ বিস্তৰ ক্ষতি হয়। দীৰ্ঘসময় ধৰি চলা এই প্ৰাকৃতিক দুৰ্যোগত বহু মানুহৰ বাসগৃহৰ ক্ষতি হয়। বৃহৎ আকাৰৰ শিলৰ বৰষুণত বিশেষভাৱে ক্ষতি হয় খেতিপথাৰসমূহ। তদুপৰি ধুবুৰী জিলাৰ বিভিন্ন ঠাইত ধুমুহা শিলাবৃষ্টিৰ ফলত কেইবাটাও অঞ্চলত ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। ভালেমান ঠাইত বিদ্যুৎ সংযোগ বিচ্ছিন্ন হৈছে। গুৱাহাটী মহানগৰীৰ লগতে কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চল ধাৰাষাৰ বৰষুণৰ ফলত জলমগ্ন হয়। ঠায়ে ঠায়ে পানী জমা হোৱাৰ ফলত মহানগৰীত যান-জটৰ সৃষ্টি হয়। ইপিনে, গুৱাহাটী বিমান বন্দৰৰ টাৰ্মিনেলো জলমগ্ন হৈ পৰা বুলি জানিব পৰা গৈছে।

ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলত ধুমুহা-বৰষুণ অব্যাহত থাকিব পাৰে বুলি আগলি বতৰা দিছে। এই সময়ছোৱাত অসম, অৰুণাচল, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলিও কোৱা হৈছে।

০০০০০০০

অসমৰ ১৯ বিধ সামগ্ৰীয়ে ভৌগোলিক সূচাংক অৰ্থাৎ জি আই টেগ লাভ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ ঐতিহ্যৰ প্ৰতি এয়া এক বৃহৎ প্ৰাপ্তি বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে সৰ্থেবাৰীৰ ঐতিহ্যমণ্ডিত কাঁহ শিল্প, অসমৰ বিহু ঢোল, জাপি, মিচিং হস্ত-তাঁত সামগ্ৰী, পানী মেটেকা শিল্প আৰু আশাৰীকান্দিৰ পোৰামাটিৰ শিল্পলৈ জি আই টেগ প্ৰদান কৰা হৈছে। ইয়াৰ লগতে বড়ো সকলৰ ১৩ বিধ বস্ত্ৰ আৰু বাদ্যয়ো জি আই টেগ লাভ কৰিবলৈ সমৰ্থ হৈছে। সেইসমূহ হৈছে- দখনা, চিফুং, এৰী কাপোৰ, জৌমগ্ৰা, বাড়ো গামচা, কেৰাডাপিনি, থুড়খা, গংগাৰ দুনিজা, খাম, ছেৰজা, খাৰদৈ, গগণা আৰু জ'থা। এই পঞ্জিয়নৰ বাবে বড়ো জি আই ব'ৰ্ডে আবেদন কৰিছিল।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এদিনীয়া কাৰ্যসূচীৰে মুম্বাইলৈ যাব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীমোদীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ৯০ বছৰ পূৰ্তি উপলক্ষে আয়োজিত **RBI at 90** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় বিত্ত আৰু কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰী নিৰ্মলা সীতাৰমণ আৰু বিত্ত ৰাজ্য মন্ত্ৰী ভাগৱত কৃষণৰাও আৰু পংকজ চৌধাৰীও এই কাৰ্যসূচীত উপস্থিত থাকিব। এই উপলক্ষে আৰ বি আইৰ গৰ্ভনৰ শক্তিকান্ত দাসেও ভাষণ দিব। উল্লেখযোগ্য যে ১৯৩৫ চনৰ পহিলা এপ্ৰিলত ভাৰতীয় ৰিজাৰ্ভ বেংক স্থাপিত হৈছিল আৰু আজি প্ৰতিষ্ঠানটোৱে ৯০ বছৰ সম্পূৰ্ণ কৰিছে। এই উপলক্ষে আয়োজিত কাৰ্যসূচীত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্ধে, উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ আৰু অজিত পাৱাৰৰ লগতে বিভিন্ন বেংক তথা উদ্যোগৰ প্ৰতিনিধিসকলেও অংশগ্ৰহণ কৰিব।

০০০০০০০

ব'হাগ বিহুলৈ আৰু কেইটামান দিন বাকী থকা অৱস্থাত শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰী নাওজান গাঁৱৰ যোগ টেক্সটাইলত  বিহুৱা বিহুৱতীসকলৰ বাবে অসমীয়া পৰম্পৰাগত সাজপাৰ বৈ উলিওৱাত শিপিনীসকল ব্যস্ততা হৈ পৰিছে। বিহুৰ পূৰ্বেই সাজ-পাৰসমূহ যাতে বিহুৱা নাচনীসকলক দিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি দিনে নিশাই প্ৰতিষ্ঠানটোত ব্যস্ত হৈ পৰিছে ২০ৰ পৰা ২৫ গৰাকী শিপিনী। ৰাজ্যৰ ভিন্ন স্থানৰ লগতে বহিঃৰাজ্যত থকা বিহু-হুঁচৰি দলৰ বাবেও সাজপাৰ তৈয়াৰ কৰিছে যোগ টেক্সটাইলে। ২০১৩ চনত শিৱসাগৰ নগৰৰ সমীপৰ বেতবাৰীত বাপ্মিতা সন্দিকৈয়ে স্বামী টুলটুল সন্দিকৈৰ সহযোগত এই টেক্সটাইল প্ৰতিষ্ঠানটো গঢ়ি তুলিছিল। তেতিয়াৰে পৰা প্ৰতিষ্ঠানটোৱে সাজপাৰ তৈয়াৰ কৰাৰ সমান্তৰালকৈ বৰ্তমানলৈকে ৩০০ৰো অধিক থলুৱা যুৱতীক কাপোৰ বোৱা-কটাৰ প্ৰশিক্ষণ দি আহিছে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানীক দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰে। ৰাষ্ট্ৰপতিয়ে বৰ্ষিয়ান নেতাগৰাকীৰ বাসগৃহলৈ গৈ তেওঁক এই সন্মানেৰে বিভূষিত কৰে।  উপৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন উপৰাষ্ট্ৰপতি এম ভেংকেয়া নাইডু, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ সভাপতি জে পি নাড্ডা আৰু আদৱানীৰ পৰিয়ালৰ সদস্যসকল এই অনুষ্ঠানত উপস্থিত থাকে।

0000000

দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নেপুৰেৰ আলগাত ব্ৰহ্মপুত্ৰত এখন ভুটভুটি নাও দুৰ্ঘটনাত পতিত হোৱাত দুটি শিশুসহ তিনিজন লোকৰ মৃত্যু হয়। ২০ জন যাত্ৰীসহ ভুটভুটি নাওখন দেওবাৰে বিয়লি ৫ বজাত হাতশিঙিমাৰীৰ কোকৰাডাঙাৰপৰা বাংলাদেশ সীমান্তৱৰ্তী নেপুৰেৰ আলগা চৰলৈ গৈ থকা অৱস্থাত হঠাৎ ধুমুহা অহাত ব্ৰহ্মপুত্ৰৰ মাজত নাওখন দুৰ্ঘটনাত পতিত হয়। মৃত্যু হোৱা শিশু দুটি হৈছে ছাদ্দাম হুছেইন আৰু ইছমাইল ইছলাম। ইয়াৰে আনজন লোক হৈছে কোবাদ হুছেইন। ইয়াৰে ইছমাইল হুছেইন আৰু কোবাদ হুছেইনৰ মৃতদেহ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত উদ্ধাৰ হোৱা বুলি খবৰ পোৱা গৈছে। ঘটনাক লৈ আৰক্ষী আৰু বি এছ্ এফে বাংলাদেশৰ সৈতে যোগাযোগ আৰম্ভ কৰিছে।

0000000

ঢোল, জাপি, দখনাকে আদি কৰি ৰাজ্যৰ **১৯** বিধ সামগ্ৰীয়ে ভৌগোলিক স্বীকৃতিৰ পঞ্জীয়ন লাভ কৰাৰ বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বিশিষ্ট সাহিত্যিক, অধ্যাপক তথা ভাষাতত্ববিদ বিশ্বেশ্বৰ হাজৰিকাৰ দেহাৱসানৰ বাতৰিক **দৈনিক জনমভূমি, অসমীয়া খবৰ**কে প্ৰমুখ্য কৰি আটাইকেইখন কাকতেই প্ৰথম পৃষ্ঠাত স্থান দিছে। বিৰোধী মিত্ৰজোঁট **ইণ্ডি এলায়েঞ্চৰ ২১** টা দলে কালি দিল্লীৰ ৰামলীলা ময়দানত গণতন্ত্ৰ বচাওক সমাৱেশ অনুষ্ঠিত কৰাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কালি সন্ধিয়াৰে পৰা হোৱা মুষলধাৰ বৰষুণত বৰঝাৰস্থিত গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰ ছাদৰ এটা অংশ খহি পৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আসন্ন লোকসভা নিৰ্বাচনত প্ৰচাৰৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে **১২** গৰাকী কেন্দ্ৰীয় নেতাসহ ৪০ জনীয়া প্ৰচাৰকৰ তালিকা প্ৰকাশৰ বাতৰিক **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। নেচনেল টেষ্টিং এজেঞ্চিয়ে স্নাতক পৰ্যায়ৰ উমৈহতীয়া বিশ্ববিদ্যালয় প্ৰৱেশ পৰীক্ষাৰ আবেদনৰ সময়সীমা ৫ এপ্ৰিললৈ বৃদ্ধি কৰাৰ বাতৰিক **দি আছাম ট্ৰিবিউন**

কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পূৰ্বৰ বছৰৰ তুলনাত ৰাজ্যৰ পৰিয়াল আদালতসমূহত অমীমাংসিত হৈ থকা গোচৰৰ সংখ্যা হ্ৰাস পোৱাৰ বাতৰিক **দ্যা চেন্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইতিপূৰ্বে **১৮২৩** কোটি টকাৰ আয়কৰ জাননী লাভ কৰা কংগ্ৰেছ দললৈ আয়কৰ বিভাগে পুনৰ **১৭৪৫** কোটি টকাৰ কৰ আদায়ৰ জাননী জাৰি কৰাৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এয়াই আছিল আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

**সমাপ্ত**